**প্ৰেচ বিজ্ঞপ্তি**
**ভাৰতীয় ৰিজাৰ্ভ বেংক**

মাৰ্চ ১২, ২০০৮

**আপোনাৰ বেংক নোটৰ প্ৰতি সন্মান প্ৰদৰ্শণ কৰক:**
**জনসাধাৰণৰ ওচৰত ৰিজাৰ্ভ বেংকৰ গোহাৰি**

আজি ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰাইজক বেংক নোটেৰে মালা গঁথা, ৰভাঘৰ তথা উপাসনাস্থল সজোৱা অথবা সামাজিক অনুষ্ঠানত বিশেষ ব্যক্তিৰ ওপৰত বৰ্ষণ কৰা ইত্যাদি কামৰ পৰা বিৰত থাকিবলৈ গোহাৰি জনাইছে৷ এনেধৰণৰ কাৰ্যই বেংক নোটৰ ক্ষতিসাধন কৰাৰ ওপৰিও এইবোৰৰ আয়ুসকাল হ্ৰাস কৰে৷ বেংক নোটসমূহক সাৰ্বভৌমত্বৰ প্ৰতীক হিচাপে গণ্য কৰা উচিত আৰু অপব্যৱহাৰ নকৰি এইবোৰৰ আয়ুসকাল বৃদ্ধিৰ বাবে যত্নপৰ হোৱা উচিত৷ ৰিজাৰ্ভ বেংকে জনাইছে যে বেংকে সমগ্ৰ দেশতে পৰিস্কাৰ নোট যোগান ধৰিবলৈ সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু জনসাধাৰণক আহ্বান জনাইছে যাতে এই ক্ষেত্ৰত তেওঁলোকে যথাসামৰ্থ্য সহযোগ আগবঢ়ায়৷

অজিত প্ৰসাদ
প্ৰবন্ধক

**প্ৰেচ বিজ্ঞপ্তি: ২০০৭ - ২০০৮/১১৮৬**